# Assamese Department,Nonoi College

## Teacher's Day Celebration/2021

### নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত শিক্ষক দিৱস পালন

**০৫ চেপ্তেম্বৰ ২০২১**

ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি শিক্ষা জীৱনত শিক্ষাগুৰুসকলৰ ভূমিকা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ অনুভৱ প্ৰকাশৰ লক্ষ্য আগত ৰাখি ইংৰাজী ০৫ চেপ্তেম্বৰ ২০২১তাৰিখে নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত শিক্ষক দিৱসটি পালন কৰা হয়। মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মা সভাপতিত্ব কৰা সভাখনিত বিভাগটোৰ বহুসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে । অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুণু দেৱীয়ে বিশ্ব বৰেণ্য সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে অধ্যক্ষ ৰীতা শৰ্মা আৰু সহকাৰী অধ্যাপক ড০ বসন্ত বৰাই পণ্ডিত গৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। ছাত্ৰী ববিতা দাসে আঁত ধৰা সভাখনিত ৰাধাকৃষ্ণণৰ জীৱন আৰু কৃতি সম্পৰ্কে বক্তব্য প্ৰদান কৰে ছাত্ৰী দিতি শইকীয়া, চালমা বেগম,শিখা মেধি আৰু কৰিস্মিতা দাসে। নৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ সমন্বয়ক ৰাতুল শইকীয়া অসমীয়া বিভাগৰ প্ৰচেষ্টাক শলাগ লোৱা লগতে বৰেণ্য পণ্ডিত গৰাকীৰ জীৱন দৰ্শন আৰু প্ৰমূল্যবোধ সম্পৰ্কে বক্তব্য আগবঢ়াই । সদৌ শেষত সভাপতিৰ ভাষণেৰে সভা সমাপণ হয় ।

## Assamese Department, Nonoi College
**Teachers Day Celebration/05th September, 2021**

## Photographs:



**Meeting of Teachers Day**



**Students Participants of Teachers Day**